
# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

# SIPAJHAR COLLEGE MAGAZINE



৩২ সংখ্যক ঃ ২০১৩-১৪ বৰ্ষ

সম্পাদক ঃ বৰ্ণালী নাথ

# ছিপাঝাৰ মহাবিদ্যালয় সংগীত

কথা ঃ ডঃ প্ৰসন্ন কুমাৰ নাথ
সুৰ ঃ কুশল হাজৰিকা

সাৰস্বত জীৱনৰ আধাৰ শিলাৰ
এয়া যে পৱিত্ৰ ধাম
সমাজ জীৱন পোহৰাই তুলি
এন্ধাৰ বিনাশিব খোজা
ছিপাঝাৰ মহাবিদ্যালয় যাৰ নাম।।

বিংশ শতিকাৰ একসত্তৰ চন
জ্ঞান অন্বেষী ছিপাঝাৰে ললে
মহান পণ
আনিবয়ে জ্যোতি শিখা অগণন।।

শত প্ৰদীপৰ জ্যোতিৰে বিধৌত
পোহৰ পিয়াসী হে প্ৰাণ
এন্ধাৰৰ দৈত্য, অসুন্দৰৰ সেনানী
হ'ব যে ম্লান।

তোমাৰ শকতি তোমাৰ মনীষা
হ'ব আগত দিনৰ আশা
মুকজনৰ মুখত দিব লাগিব
জীৱন দায়িনী ভাষা।
যি ভাষাত সপোন বিচাৰি পাম
ছিপাঝাৰ মহাবিদ্যালয় যাৰ নাম।।

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

৩২ তম সংখ্যা ঃ ২০১৩-২০১৪ বৰ্ষ

# SIPAJHAR COLLEGE MAGAZINE

**VOL - 32 : SESSION - 2013 - 2014**

1-23

তত্ত্বাৱধায়ক

ডঃ ৰামচন্দ্ৰ ডেকা

সম্পাদক

বৰ্ণালী নাথ

LIBRARY

**SIPAJHAR MAHABIDYALAY ALOCHANI** : The Annual College Magazine for the Session 2013 -2014, edited by Barnali Nath and Published by Sipajhar College Students' Union on behalf of the Sipajhar College Sipajhar, Darrang.

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী
## ৩২তম সংখ্যা ঃ ২০১৩-২০১৪ বৰ্ষ

### সম্পাদনা সমিতি ঃ

**উপদেষ্টা ঃ**
ড° প্ৰদীপ চন্দ্ৰ ডেকা, অধ্যক্ষ
ড° তন্দ্ৰালী চৌধুৰী, উপাধ্যক্ষ

**তত্ত্বাৱধায়ক ঃ**
ড° ৰামচন্দ্ৰ ডেকা

**শিক্ষক সদস্য ঃ**
ড° দেবব্ৰত বৰদলৈ
ড° দুলেন্দ্ৰ নাথ

**সম্পাদক ঃ**
বৰ্ণালী নাথ

**ছাত্ৰ সদস্য ঃ**
ৰাজীৱ লোচন কুমাৰ
বৰ্ণালী কলিতা
তৃষ্ণামণি ডেকা
ৰঞ্জুমণি বৰুৱা (পদেন)

**পৰিকল্পনা ঃ** সম্পাদনা সমিতি
**বেটুপাত অংকন ঃ** সম্পাদিকা
**স্কেচ্** ঃ বৰ্ণালী নাথ
হিমাদ্ৰী চহৰীয়া
**আলোকচিত্ৰ** ঃ নৱনীতা ষ্টুডিঅ'
**প্ৰকাশক** ঃ ছাত্ৰ একতা সভা, ছিপাঝাৰ মহাবিদ্যালয়

**মুদ্ৰক ঃ মাল্টি গ্ৰাফিক্চ, মঙলদৈ।**

### কৃতজ্ঞতা স্বীকাৰ

- লেখক-লেখিকাবৃন্দ
- সম্পাদনা সমিতিৰ বিষয়-ববীয়া আৰু সদস্যবৃন্দ
- মাল্টি গ্ৰাফিক্চৰ স্বতাধিকাৰী প্ৰমুখ্যে কৰ্মচাৰীবৃন্দ
- অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকা চাৰ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাবৃন্দ
- মধুস্মিতা কলিতা বাউদেউ, আব্দুল মালিক

**সম্পাদনা সমিতি**

### তত্ত্বাৱধায়কৰ বিশেষ কৃতজ্ঞতা

- পলমকৈ হ'লেও মহাবিদ্যালয়ৰ এই সংখ্যা আলোচনী প্ৰেছৰ পৰা উলিয়াই অনাৰ ক্ষেত্ৰত বিশেষ উদ্যোগ লোৱা প্ৰিয় ছাত্ৰ।
- ২০১৩-১৪বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক ৰঞ্জুমণি বৰুৱা আৰু একে বৰ্ষৰে তৰ্ক আৰু অধ্যয়ন চক্ৰৰ সম্পাদক নিকু কলিতা লৈ।

**- তত্ত্বাৱধায়ক**

**ছিপাঝাৰ মহাবিদ্যালয় আলোচনী ঃ** ছিপাঝাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, বৰ্ণালী নাথৰ দ্বাৰা সম্পাদিত আৰু ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত।

# উছৰ্গা

ছিপাঝাৰ মহাবিদ্যালয়ৰ সকলো শুভাকাঙ্ক্ষীৰ হাতত
এই সংখ্যাৰ আলোচনীখন উছৰ্গা কৰা হ'ল।

- সম্পাদনা সমিতি

# অশ্ৰু-অঞ্জলি




ছিপাঝাৰ মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাত অকাল বিয়োগ ঘটা আজমল হক আৰু প্ৰাঞ্জল চহৰীয়ালৈ অশ্ৰু-অঞ্জলি জ্ঞাপন কৰিলো। তেওঁলোকৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক।

-সম্পাদনা সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : +91361 2570412(O), 2570408(R)
Fax : +91361-2675515
Email ID : hazarika50@gmial.com
vc_gu@yahoo.in



## MESSAGE

I am happy to learn that Sipajhar College, Sipajhar is going to publish its annual college magazine for the session 2013-2014 very soon. College magazine is a strong medium for the constituent members of a college for intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

Date : 21.01.2015

**(Mridul Hazarika)**

Address : Gopinath Bardoloi Nagar, Jalukbari, Guwahati, Assam - 781014
Phone : 0361-2570415, Website : www.gauhati.ac.in

ছিপাঝাৰ মহাবিদ্যালয়
SIPAJHAR COLLEGE

*Sri Bhadreswar Nath,* M.A., B.T.
President, Governingbody



# শুভেচ্ছা বাণী

বিগত বছৰ সমূহৰ দৰেই এই বেলিও ছিপাঝাৰ মহাবিদ্যালয়ৰ মুখপত্ৰখন প্ৰকাশৰ দুৱাৰ দলিত উপনীত হোৱা বুলি শুনি অতিকৈ সুখী হৈছোঁ। আটাইৰে বিদিত যে মহাবিদ্যালয়খনত বৰ্তমান এটি সুস্থ পৰিৱেশে বিৰাজ কৰিছে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যপুথিগত শিক্ষাৰ বাহিৰেও খেলা-ধূলা, কলা-সংস্কৃতি আদি বিষয়ত মনোনিৱেশ কৰাৰ সুযোগ আহি পৰিছে। ইয়াক নিশ্চয়কৈ সুখৰ বিষয় বুলি ঠাৱৰাব লাগিব। কিয়নো এজন ছাত্ৰ বা এজনী ছাত্ৰী সম্পূৰ্ণ ৰূপে বিকশিত হবলৈ হ'লে ছাত্ৰ-ছাত্ৰী সকলে জীৱনৰ সকলো দিশত মানোনিৱেশ কৰিব লাগিব। তেওঁলোকে জীৱন সংগ্ৰামত ব্ৰতী হৈ জীৱন গঢ়াৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিলেহে তেওঁলোকৰ জীৱন মধুময় হব; এই ক্ষেত্ৰত সজ আদৰ্শ আৰু সজ চিন্তাই জীৱন গঢ়াৰ পথ প্ৰশস্ত কৰিব। নীতি শাস্ত্ৰই কৈছে সাহিত্য, সঙ্গীত কলা বিহীন লোক সাক্ষাৎ পশুতুল্য, সেয়ে এইবোৰৰ চৰ্চা অব্যাহত ৰাখিবলৈ যেন ছাত্ৰ-ছাত্ৰীসকল সততে যত্নপৰ হয়। কাৰণ চেষ্টাৰ অসাধ্য একো নাই। সুপৰিকল্পিত ভাবে যি কোনো কামতে অগ্ৰসৰ হলে কৃতকাৰ্য নোহোৱাৰ কোনো কাৰণেই নাই।

সকলোৰে মঙ্গল কামনা কৰিলোঁ।

শ্ৰীভদ্ৰেশ্বৰ নাথ

(শ্ৰীভদ্ৰেশ্বৰ নাথ)



**DR. PRADIP CHANDRA DEKA**
**PRINCIPAL**

# MESSAGE

It gives me immense pleasure to open a few words as prologue to our "Sipajhar College Magazine" exclusively meant for churning out the latent writing talent which bears immense potentiality of sharpening student's communication skill as part of their over all personality development. The college magazine is a forum which could aptly be used for recording events, fond memories and creative writing. I am sure that this magazine will be informative and resourceful. I congratulate all the contributors and the editorial board for bringing out such a beautiful magazine.

This is the period which transforms an individual into a responsible citizen for the fortified nation. College life helps students to imbibe moral qualities like caring, sharing and helping. College is an institution, where students learn to be empowered and hence make their decisions independently.

Dear students, you will get mentors to supervise different literary and cultural activities to shape up your personality. To bring out your hidden talent, we are having cultural and debating sections and a college magazine through which you can express your creative and innovative ideas. We provide sports activities to inculcate in you the spirit of discipline, tolerance and co-operation. At every step dedicated teachers are there to guide you, inspire you and lead you towards the pinnacle of success, so as to infuse in you the citizenship qualities, a great achiever and contributor to the society in general, nation in particular and world as whole. Though sky is the last limit but Sipajhar College will take care of deed and desire of every individual student with great zeal. With this promise and great expectations from you, I once again extend my heartiest welcome to you all -

**Dr. Pradip Chandra Deka**

মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ একাংশ



মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিকা আৰু কৰ্মচাৰীদ্বয়



অধ্যক্ষ, অলোচনী তত্ত্বাৱধায়ক সমন্বিতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



তত্ত্বাৱধায়কৰ এষাৰ

# দায়ৱদ্ধতাৰ পাঠ

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য আৰু লক্ষ্য সম্পৰ্কে হোৱা আলোচনা প্ৰসঙ্গত শিক্ষাবিদসকলে শিক্ষাৰ্থীৰ সৰ্বাত্মক বিকাশ সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়। এই শিক্ষাৰ্থীৰ সৰ্বাত্মক বিকাশৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ প্ৰয়োজনতেই শিক্ষানুষ্ঠানসমূহত ক্ৰীড়া আৰু অন্যান্য সুকুমাৰ কলাৰ ক্ষেত্ৰতো যাতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশ সাধন ব্যাহত নহয় সেই কথাৰ ওপৰত গুৰুত্ব দিয়া হয়। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্য আগত ৰাখি মহাবিদ্যালয়সমূহত প্ৰতি বছৰ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰাৰ উপৰিও আন্তঃ মহাবিদ্যালয় পৰ্যায়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তেনেদৰে বিশ্ববিদ্যালয় এখনৰ অন্তৰ্গত সকলো মহাবিদ্যালয়ক সামৰি অনুষ্ঠিত কৰা হয় যুৱমহোৎসৱ।

আমাৰ ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সময়ত বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কৃত হৈছে - মহাবিদ্যালয়ৰ গৌৰৱ অক্ষুণ্ণ ৰাখিছে। এইবাৰো আন্তঃ মহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱমহোৎসৱত তৰ্ক প্ৰতিযোগিতা আৰু ব্যঙ্গনাট প্ৰতিযোগিতাত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে শীৰ্ষ স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ কৃতকাৰ্যতা উল্লেখনীয়।

এই সকলো কৃতকাৰ্যতা আৰু গৌৰৱ কিন্তু দায়ৱদ্ধতাৰ শিক্ষা অবিহনে অসাৰ হৈ পৰে। ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশৰ উদ্দেশ্য আগত ৰাখি মহাবিদ্যালয়সমূহত প্ৰতি বছৰে একোখন আলোচনী প্ৰকাশ কৰা হয়। আলোচনীখন সম্পাদনা কৰি উলিয়াবলৈ একোগৰাকী সম্পাদক ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচন কৰে। কেতিয়াবাহে সাহিত্য চৰ্চাৰ প্ৰতি প্ৰকৃততে আগ্ৰহ থকা আৰু গ্ৰন্থ সম্পাদনা বিষয়ত কিছু অভিজ্ঞতা থকা ছাত্ৰ-ছাত্ৰী সম্পাদক হিচাপে নিৰ্বাচিত হয়। বেছিভাগ ক্ষেত্ৰতে মহাবিদ্যালয় আলোচনীৰ তত্ত্বাৱধায়ক গৰাকীয়েই সম্পাদকৰ ভূমিকা পালন কৰিবলগীয়া হয়। আগতে কেইবাবাৰো তত্ত্বাৱধায়ক হিচাপে সম্পাদকৰ ভূমিকা পালন কৰি অহাৰ পিছত, এইবাৰৰ সম্পাদক গৰাকীৰ উৎসাহ-উদ্দীপনা আৰু কিছু আন্তৰিক আগ্ৰহ দেখি আলোচনীখনৰ সম্পাদনৰ সমস্ত দায়িত্ব এৰি দিছিলোঁ- কিছু শিকক আৰু অভিজ্ঞতা আহৰণ কৰক এই আশাৰে। আশা কৰা ধৰণে আলোচনীখনৰ সম্পাদনাৰ আশী শতাংশ কাম আগবাঢ়িল যদিও আলোচনীখন যথাসময়ত প্ৰকাশ নাপালে- অৰ্থাৎ 'শেষ ভালে সকলো ভাল'- কথাষাৰ প্ৰযোজ্য নহ'ল। উদ্দেশ্য আৰু লক্ষ্য সাধনৰ বাবে শেষ পৰ্যন্ত লাগি থাকিব পাৰিলেহে কৃতকাৰ্যতা আহৰণ কৰাটো সম্ভৱ। দায়ৱদ্ধতাৰ শিক্ষা যি সকল ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰে তেওঁলোকৰ বাবে কৃতকাৰ্যতা আহৰণ উজু হৈ পৰে। সেই বাবেই ছাত্ৰ-ছাত্ৰীৰ বাবে 'দায়ৱদ্ধতাৰ পাঠ' এক এৰাব নোৱাৰা বিষয়।

ৰামচন্দ্ৰ ডেকা

# সম্পাদকীয়

ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ। সাহিত্য এটা জাতিৰ লগত গতিশীলভাৱে জড়িত হৈ থাকে। সেইবাবেই নিজৰ ভাষাৰ চৰ্চা, প্ৰসাৰ আৰু প্ৰচাৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত। তাৰ উপৰি এটা জাতিৰ আবেগ-অনুভূতি, আশা-আকাংক্ষা, ঐতিহ্য সাহিত্য চৰ্চাৰ জৰিয়তে প্ৰতিফলিত হয়। আধুনিক অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰম্ভ হৈছিল ১৮৪৬ চনত 'অৰুনোদয়'ৰ যোগেদি।

নষ্ট সময়, নষ্ট চৰিত্ৰ, নৈতিকতাবিহীন এক পৰিৱেশ। কি অসহ্য! প্ৰযুক্তিবিদ্যাই পংগু কৰি পেলাইছে সমাজৰ অস্তিত্ব। চাৰিওফালে জুই, ধোঁৱা, আৰু এছিদৰ গোন্ধ। ব্যস্ত পৃথিৱী, ব্যস্ত মানৱ। সকলো দৌৰিছে মাথো দৌৰিছে কিন্তু মৰীচিকা। উজুটি খাই পৰিছো। উজুটি খাই পৰিছো। হৃদপিণ্ডত ফুটা হৈছে; যেন সকলোবোৰ হেৰুৱাই পেলাইছো।

বৰ্তমান সময়ত শিক্ষাৰ উদ্দেশ্য বেলেগ হোৱা পৰিলক্ষিত হৈছে যাৰ ফলস্বৰূপে মানুহে শিক্ষা গ্ৰহণৰ পিছতো আমি সঁচা অৰ্থত মানুহ হ'বলৈ পৰা নাই। কিয়নো বৰ্তমানৰ শিক্ষাত আমি সকলোৱে শিক্ষা প্ৰতিযোগিতাৰ পিছত দৌৰিছো কিন্তু শিক্ষাৰ প্ৰকৃত জ্ঞান লাভ কৰিবলৈ আমিবোৰ দৌৰা নাই। এনেকুৱা যিবোৰ ধাৰণা আমাৰ মনত গঢ় লৈ উঠিছে এই ধাৰণাবোৰ আঁতৰাব পাৰিলে আমি শিক্ষাৰ প্ৰকৃত পথলৈ গতি কৰিব পাৰিম। বৰ্তমানৰ যি শিক্ষা ব্যৱস্থা ইয়াৰ সংশোধনৰ প্ৰয়োজনীয়তা আহি পৰিছে নহ'লে আমি আকৌ ৰবীন্দ্ৰনাথ ঠাকুৰে কোৱাৰ দৰে আমি ক'ব লাগিব যে - "An Education factory lifeless, colourless, dissociated from the context of the universe within bare white walls staring like the eyeballs of the dead."

মানুহৰ ব্যক্তিত্বৰ বিকাশ আৰু প্ৰকাশৰ ক্ষেত্ৰত মাধ্যমৰ প্ৰয়োজন। মাধ্যম অহিবনে ব্যক্তিৰ সুপ্ত প্ৰতিভা বিকাশ কৰাটো সম্ভৱ নহয়। বৰ্তমানৰ পৰিৱেশ আৰু পৰিস্থিতিয়ে আমাক কোঙা কৰি পেলাইছে। আমি সকলোৱে অন্যায়ৰ বিৰুদ্ধে মাত মাতিবৰ হ'ল। আমি সজাগ হ'বৰ হ'ল। ছাত্ৰ-ছাত্ৰী সকলৰ শাৰিৰীক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে এখন সুস্থ সমাজ আৰু এটা সুস্থ পৰিৱেশ সৃষ্টি কৰিবলৈ আমি সজাগ হ'বৰ হ'ল। যিহেতু সুস্থ পৰিৱেশত হে সুস্থ মানসিকতা গঢ় লৈ উঠে। সেয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, সৃষ্টিশীল মানসিকতা গঢ়াৰ ক্ষেত্ৰত এখন আলোচনীৰ ভূমিকা লেখত লবলগীয়া। বৰ্তমানেও এখন সুস্থ সৰল সমাজৰ অভাৱ। কিন্তু আজিৰ প্ৰজন্মই গঢ়ি তুলিব লাগিব তেনেকুৱা এখন সমাজ য'ত গঢ়ি উঠিব সাহিত্য সৃষ্টিৰ এক নতুন ঢৌ।

**মহাবিদ্যালয়ৰ আলোচনী প্ৰসঙ্গত ঃ**

মহাবিদ্যালয়ৰ মান আৰু সময়ৰ প্ৰতি লক্ষ্য ৰাখি এখন আলোচনী সম্পাদনা কৰি উলিওৱাটো বাহিৰৰ পৰা সহজ যেন লাগিলেও ইমান সহজ নহয়। ইয়াৰ

ওপৰিও ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত লিখনিৰ অভাৱৰ বাবে আলোচনীখন প্ৰকাশ কৰাত যথেষ্ট পলম হয়। মহাবিদ্যালয়ত মোৰ কাৰ্যকালত পোন প্ৰথম বাৰৰ বাবে "Photography" প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ভৱিষ্যত এই প্ৰতিযোগিতাখনি আগুৱাই লৈ যাব বুলি আশা কৰিলো লগতে মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা সাহিত্য প্ৰতিযোগিতা অংশ গ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকা ছাৰ, তত্বাৱধায়ক ড° ৰামচন্দ্ৰ ডেকা ছাৰ, ড° দেৱব্ৰত বৰদলৈ ছাৰ, ড° দুলেন্দ্ৰ নাথ ছাৰ, ড° প্ৰসন্ন কুমাৰ নাথ ছাৰ, শ্ৰীযুত চন্দ্ৰ চৌধুৰী ছাৰ, শ্ৰীযুত জয়ন্ত ডেকা ছাৰ, শ্ৰীযুত কৌশিক হাজৰিকা ছাৰ, শ্ৰীযুত মন্টু হাজৰিকা ছাৰ, শ্ৰীযুত ইমৰান হুছেইন ছাৰ, ড° তন্দ্ৰালী চৌধুৰী বাইদেউ, শ্ৰীযুতা মিনতি গোস্বামী বাইদেউ, শ্ৰীযুতা জয়শ্ৰী নাথ বাইদেউ, শ্ৰীযুতা মধুস্মিতা কলিতা বাইদেউ, গ্ৰন্থাগাৰিক শ্ৰীযুতা জয়মতী বৰুৱা বাইদেউ, গ্ৰন্থাগাৰৰ সহায়ক ৰেৱ খুড়া আৰু এই সংখ্যাটি প্ৰকাশ কৰাত বিভিন্ন ধৰণৰ তথ্য দি সহায় কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত কনক চন্দ্ৰ ডেকা ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দলৈ সশ্ৰদ্ধ প্ৰণাম যাছিলোঁ।

ইয়াৰ উপৰিও মোক কাৰ্যকালৰ প্ৰথমৰ পৰাই সহায় কৰা জ্যোতি, মিলন, অপুল, বিদ্যুৎ, ৰাজীৱ, চিমি , হিৰুদা, নিৰুপমা, যাদুল, চয়নিকা, হিমাদ্ৰী, তাবাচুম, মৌচুমী, ইমন, জয়ন্ত, ধীৰাজদা, বিজয়লক্ষ্মীবা আৰু মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰত্যেক গৰাকী বিষয়ববীয়ালৈ মোৰ কৃতজ্ঞতা তথা শুভকামনা জনালোঁ।

শেষত মোৰ অনিচ্ছাকৃত ভুল-ক্ৰটিৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনাৰে, সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ প্ৰণাম আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা যাঁচি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়।

জয়তু ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

-বৰ্ণালী নাথ

# চিন্তাশিল্প

প্ৰবন্ধ বুলিলে ভাবসমৃদ্ধ, মননশীল, যুক্তিনিষ্ঠ, নাতিহ্ৰস্ব গদ্য ৰচনাক বুজোৱা হয়। ইয়াৰ বিষয়-বস্তু গহীন। সাধাৰণতে ই ব্যাখ্যাত্মক হয় আৰু প্ৰণালীবদ্ধ আৰু যথাসম্ভৱ বিশদ আলোচনা ইয়াত কৰা হয়। বস্তুনিষ্ঠ, গঠনৰীতিৰ সুসংবদ্ধতা আৰু ভাব-চিন্তাৰ সুসমন্বয় ইয়াৰ অন্যতম বৈশিষ্ট্য।

## প্ৰবন্ধ সূচী


ৰাসলীলা আৰু ইয়াৰ তাৎপৰ্য
- দীপশিখা কলিতা/১১

দৰঙী লোকসংগীতৰ স্বৰূপ
- চিমি ডেকা/১৩

মানৱীয় মূল্যবোধ ঃ ইয়াৰ অৱক্ষয় সমাজ ব্যৱস্থা আৰু পৰম্পৰা
- ডঃ দিবাকৰ চন্দ্ৰ দাস/১৬

শিক্ষাত প্ৰয়োগবাদ দৰ্শনৰ পৰিৱৰ্তনীয় দৃশ্যপট
- শশাংক শৰ্মা /১৮

দেওধনী নৃত্য - এক চমু অৱলোকন
- লক্ষ্যহীৰা শৰ্মা/২০

দৰঙী ৰাজ্যৰ ব্যৱসায়-বাণিজ্যৰ এক সমীক্ষা
- ডঃ দুলেন্দ্ৰ নাথ/২২

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন দৰ্শন
- ৰেখাৰাণী নাথ/২৪

আহক প্ৰত্যাহ্বান নেওচি আগবাঢ়োঁ
- দুলাল হাজৰিকা/২৭

অসমীয়া লোক জীৱনত জন্ম সম্পৰ্কীয় লোকাচাৰ
- চয়নিকা শৰ্মা/৩০

অন্ধ বিশ্বাস, ডাইনী হত্যা আৰু আমাৰ কৰণীয়
- উৎপল শৰ্মা/৩৫

ওজাপালি
- হিমাদ্ৰী চহৰীয়া /৩৭

শিশু শ্ৰমিক
- হিৰুমণি গৌতম/৪১

পৰিৱেশৰ পৰিৱৰ্তন আৰু আমি
- সুৰজিৎ দত্ত/৪৩

প্ৰাথমিক শিক্ষাত পাঠ্যক্ৰমিক আৰু সহপাঠ্যক্ৰিমক কাৰ্যাৱলী
- হিমাশ্ৰী মহন্ত /৪৪

ঐতিহ্যমণ্ডিত খটৰা সত্ৰ ঃ এক চমু অৱলোকন
- চয়নিকা কলিতা/৪৭

নাৰী সমাজত 'সেন্দুৰ'ৰ ব্যৱহাৰ
- সংগীতা শৰ্মা/৫০

## মঙলদৈ নিবাসী বিশিষ্ট লেখক, সাংবাদিক, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পুৰাতত্ত্ববিদ, সাহিত্য ক্ষেত্ৰৰ তথা সামাজিক জীৱনৰ অন্যতম ব্যক্তি মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰী অধ্যাপক, অসম বিধানসভাৰ প্ৰাক্তন সদস্য

# ডঃ নগেন্দ্ৰ নাথ শৰ্মাদেৱৰ সৈতে অন্তৰংগ আলাপ

? পোন প্ৰথমে আপোনালৈ ছিপাঝাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু নমস্কাৰ জনাইছো।

ঃ নমস্কাৰ।

? মহাশয়, আমি ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰা ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয় আলোচনীখনৰ বাবে আপোনাৰ লগত কিছু কথা পাতিব বিচাৰিছো। আপোনাৰ কৰ্মব্যস্ত জীৱন, নীৰৱ সাহিত্য সাধনা তথা সমাজ সংস্কাৰমূলক কাম-কাজ সমূহৰ বিষয়ে দৰং জিলাৰ পাঠক সমাজক অৱগত কৰোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক এনেবোৰ দিশলৈ অধিক আগ্ৰহান্বিত কৰাৰ প্ৰয়াস কৰা হৈছে। আপোনাৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে জানি সকলোৱে নিশ্চয় অনুপ্ৰেৰণা লাভ কৰিব।

? পোন প্ৰথমে আমি আপোনাৰ প্ৰাথমিক শিক্ষাৰ বিষয়ে জানিব বিছাৰিছো।

ঃ মই এখন অতি অখ্যাত গাঁৱত জন্ম গ্ৰহণ কৰি সেই গাঁৱৰে এখন অখ্যাত প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি ভাৰতবৰ্ষৰ প্ৰথম বা দ্বিতীয় স্থানপ্ৰাপ্ত বিশ্ববিদ্যালয়ত পঢ়িছিলো। সেই সময়ত আমি যি শিক্ষা লাভ কৰিছিলো তাৰবাবে মই মোৰ শিক্ষকসকলৰ ওচৰত চিৰঋণী। মই মোৰ শিষ্য জীৱনত যিমান কেইজন শিক্ষাগুৰুৰ সান্নিধ্য লাভ কৰিছো তেওঁলোকে প্ৰত্যেকেই শিক্ষাদান কাৰ্যত নিজকে উছৰ্গা কৰা একো একোজন মহান শিক্ষক। মই পোন প্ৰথমে প্ৰাথমিক শিক্ষা লাভ কৰো কলাইগাঁৱৰ কমাৰ গাঁও প্ৰাথমিক বিদ্যালয়ত। এই বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল ৰাধা বৰুৱা। তেওঁ এজন কৃতী শিক্ষক আছিল। মোৰ সাত বছৰ বয়সত মোৰ খুড়াৰ কৰ্মসূত্ৰে গুৱাহাটীলৈ লৈ গৈ মোক চেনিকুঠি প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাই দিয়ে। এই শিক্ষক সকলে শিক্ষাদান কাৰ্যটোক এটা মিছন হিচাপে লৈছিল। শিক্ষাদানৰ বাবে তেওঁলোকৰ আছিল ঐকান্তিক প্ৰচেষ্টা আৰু কঠোৰ নিয়মানুৱৰ্তিতা। এই বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল চণ্ডী শৰ্মাদেৱ। পিছলৈ তেওঁ ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছিল। এই স্কুলত মোৰ সহপাঠী আছিল ড° দেৱদাস কাকতি, এওঁ পিছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হয়গৈ। লগতে আছিল ড° পুলিন দত্ত, তেওঁ বৰ্তমান এজন যশস্বী বৈজ্ঞানিক হিচাপে খ্যাত।

? আপুনি যিহেতু স্বাধীনোত্তৰ কালতেই প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা লাভ কৰিছিল তেতিয়াৰ শিক্ষা পদ্ধতি আৰু বৰ্তমানৰ শিক্ষা পদ্ধতিৰ মাজত কেনে ধৰণৰ পাৰ্থক্য অনুভৱ কৰে?

ঃ স্বাধীনোত্তৰ কালছোৱাতেই মই প্ৰাথমিক শিক্ষা সাং কৰি উজান বজাৰৰ মাণিক চন্দ্ৰ বৰুৱা স্কুলত নামভৰ্ত্তি কৰো। এই স্কুলৰ প্ৰধান শিক্ষক আছিল ভাৰত শৰ্মা। তেওঁ কঠোৰ নিয়মানুবৰ্তী আৰু অধ্যাৱসায়ী ব্যক্তি আছিল। সেই সময়ত বিদ্যালয়ত বিজুলীৰ ব্যৱস্থা নাছিল। কিন্তু শিক্ষকসকলে গধূলি হাতত লেম্প লৈ আৰু প্ৰতি গৰাকী ছাত্ৰয়ো লেম্প লৈ আহি গধূলি স্কুলত পঢ়িছিল। তেওঁলোকৰ বাবে শিক্ষকতা এটি মহান ব্ৰত আছিল। সেয়ে কেৱল উত্তীৰ্ণ হোৱাই নহয় অসমৰ ভিতৰতে স্থান দখল কৰাকৈ উত্তীৰ্ণ হোৱাটো তেওঁলোকৰ লক্ষ্য আছিল। তেতিয়াৰ সময়ত ব্যক্তিগত খণ্ডৰ চেইন্ট মেৰী স্কুল আছিল যদিও আমি বা অন্যান্য সম্ভ্ৰান্ত ঘৰৰ ল'ৰা-ছোৱালীও ইয়াৰ প্ৰতি আকৰ্ষিত হোৱা নাছিল। কিন্তু বৰ্তমানে ব্যক্তিগতখণ্ডৰ বিদ্যালয়ত পঢ়ুওৱাটো যেন এটা ভেমত পৰিণত হৈছে। এই আভিজাত্যিক শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলৰ ওপৰত কু-প্ৰভাৱ পেলাইছে। সেই সময়ত শিক্ষাদান কাৰ্যটো আছিল এক প্ৰকাৰৰ সেৱা আৰু বৰ্তমান ই হৈ পৰিছে বৃত্তি।

? স্বাধীনতা আন্দোলন বা বিশ্বযুদ্ধৰ কথা আপোনাৰ মনত পৰেনে?

ঃ মই মাধ্যমিক বিদ্যালয়ত পঢ়ি থকা কালছোৱাতেই মহাত্মা গান্ধী শেষবাৰৰ বাবে অসমলৈ আহিছিল। 'জুবিলী গাৰ্ডেনত' তেখেতক আদৰাৰ আয়োজন কৰিছিল। আমাক স্কুলৰ শিক্ষক সকলে তেওঁক চাবলৈ লৈ গৈছিল। আনহাতে দ্বিতীয় মহাযুদ্ধৰো আভাস পাইছিলো। মিলিটেৰীৰ গাড়ীবোৰৰ সঘন আহ-যাহ হৈছিল। ৰাস্তাত "Z" আকৃতিৰ প্ৰায় 'ছ' ফুট মান গাত খান্দি থোৱা হৈছিল। নিগ্ৰো সৈন্যবোৰ দেখি ভয় খাইছিলো। সিহঁতে সপ্তাহত এদিন ছুটী পায়। সেইদিনা সকলোৱে ভয়তে ঘৰত সোমাই থাকে। যুদ্ধৰ সময়ত মাজে মাজে নিমখৰ নাটনি হৈছিল।

১৯৪৮-৪৯ চনত মই ক্ৰমে ছিপাঝাৰ আৰু মঙলদৈত হাইস্কুলীয়া শিক্ষা লাভ কৰিছিলো। স্নাতক পৰ্যায়ৰ শিক্ষা লাভ কৰিছিলো বি. বৰুৱা কলেজত। ইয়াতেই অসমৰ ভালেকেইজন পুৰোধা ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিলো। হেম বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, যোগেশ দাস, বসন্ত বৰুৱা, বীৰেণ দত্ত, হৰেণ দাস, পৰমেশ্বৰ শৰ্মা আদিৰ দৰে আদৰ্শ শিক্ষাগুৰু সকলৰ শিক্ষা লাভ কৰিছিলো।

স্নাতকোত্তৰ শিক্ষা লাভ কৰো গুৱাহাটী বিশ্ববিদ্যালয়ত। ইয়াৰ পিছতে দিল্লীস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (School of International Studies) ত এবছৰৰ বাবে M. Phill কৰিবলৈ যাওঁ। এই বিশ্ববিদ্যালয়খন বিশ্বৰ স্বীকৃতিপ্ৰাপ্ত অধ্যাপক (Globaly Recognized Teachers) সকলেৰে পূৰ্ণ আছিল। তেওঁলোকৰ ভিতৰত ৰাম ৰাহুল, শিশিৰগুপ্ত, ভৱানী সেনগুপ্ত, এল এইচ বেৰেন, বিমলা প্ৰসাদ, নগেন্দ্ৰ সিং, গুণাৰ মাইলেৰ্ড, ৰমিলা থাপ্পাৰ, উৰ্মিলা ফাণ্ডিছ আদি উল্লেখযোগ্য। JNUৰ শিক্ষা পদ্ধতি আছিল সম্পূৰ্ণ বেলেগ। তেওঁলোকে শিক্ষাদানৰ ক্ষেত্ৰত আমেৰিকাৰ বিশ্লেষণাত্মক শিক্ষানীতি অনুকৰণ কৰিছিল।

? আপুনি মঙলদৈ মহাবিদ্যালয়ত কেতিয়া যোগদান কৰিছিল? মহাবিদ্যালয়ৰ লগত আপুনি কেনেদৰে জড়িত আছিল?

ঃ মই ১৯৬৪ চনৰ ১১ নবেম্বৰত মঙলদৈ মহাবিদ্যালয়ত যোগদান কৰো। আমি Associate Professor Selection Board ৰ প্ৰথমটো গোট আছিলো। এই মহাবিদ্যালয়ত থাকোতেই আমি "Earner and Learner" নামেৰে এটি Camp গঠন কৰো। এই Camp ৰ ল'ৰাইঁতে নিজে খেতি-বাতি কৰি পঢ়িছিল। এই Camp ৰ জৰিয়তে চাপৰিৰ মাটি থলুৱা কৃষক সকলে পোৱাৰ বাবে আন্দোলন কৰিছিলো আৰু সফলো হৈছিলো। এই Camp ৰ পৰা এজন ল'ৰাই জাপানলৈ যোৱাৰ সুযোগ লাভ কৰে।

? আপুনি ৰাজনৈতিক ক্ষেত্ৰতো এজন সক্ৰিয় ব্যক্তি। কেতিয়াৰ পৰা আপুনি ৰাজনীতিৰ ক্ষেত্ৰত খোজ পেলায়?

ঃ মই পোন প্ৰথমে হেম বৰুৱাদেৱৰ সৈতে Socialist Partyত যোগদান কৰো। ১৯৭৭ চনত হিৰালাল পাটোৱাৰীৰ জনতা পাৰ্টিত যোগদান কৰো। ১৯৭৮ চনত কলাইগাঁও সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াও আৰু জয়ী হওঁ। ১৯৯০ চনত BJP ত যোগদান কৰো। ইয়াৰ উপৰিও "Public Accounts Commity"ৰ সদস্য আৰু "Planning Board"ৰ সভাপতি আছিলো।

? ৰাজনৈতিকভাৱে সক্ৰিয় এজন ব্যক্তি হিচাপে ছাত্ৰ ৰাজনীতি সম্পৰ্কে আপুনি কি কব খোজে?

ঃ মোৰ মতে দেশৰ সংকটৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত যোগদান কৰাটো বাঞ্চনীয়। কিন্তু পেছা হোৱাটো অনুচিত। মই নিজে এবছৰৰ বাবে ASSU ৰ Astt. General Secretary আছিলো। লক্ষী শইকীয়া, ভাৰ্গৱ চৌধুৰী এওঁলোকো এবছৰকৈ সম্পাদক আছিল। কিন্তু বৰ্তমান এই ছাত্ৰ

সংগঠনবোৰ এক শ্ৰেণীৰ ছাত্ৰই পেছাত পৰিণত কৰি পেলাইছে।

ঠিক সেইদৰে বৰ্তমানে ৰাজনীতি বিষয়টোৱে এক প্ৰকাৰৰ ব্যৱসায়ত পৰিণত হৈছে। পূৰ্বতে আমাৰ দিনত বিমলা প্ৰসাদ চলিহা, সোণেশ্বৰ বৰুৱা, লক্ষী বৰুৱা, লক্ষ্যধৰ চৌধুৰী, ৰমণী বৰ্মন, ডাঃ কোযেশ্বৰ বৰুৱা এওঁলোকে ৰাজনীতিক সমাজ সেৱা বুলি ভাবিছিল। কিন্তু বৰ্তমানে ৰাজনীতি এটি পুজিহীন ব্যৱসায় হৈ পৰিছে।

? বৰ্তমানৰ এই শৈক্ষিক, সামাজিক, ৰাজনৈতিক সমস্যাসমূহ উদ্ভৱ হোৱাৰ মূল কাৰণ কি বুলি ভাবে?

ঃ বৰ্তমানে এই সমস্যাসমূহ Social Trande ৰ বাবে উদ্ভৱ হৈছে। এইবোৰ ভয়ংকৰ ভোগবাদী সমাজৰ ব্যৱসায়িক মনোবৃত্তিৰ কু-প্ৰভাৱ। এই মনোবৃত্তিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত অপৰাধ-প্ৰৱণতা বৃদ্ধি হৈছে। আমি এটা সামাজিক অভিভাৱকত্ব পাইছিলো। যিটো বৰ্তমান নাই। শিক্ষকসকলে স্কুলৰ বাহিৰতো অভিভাৱকৰ ভূমিকা পালন কৰিছিল।

? বৰ্তমান সমাজত ত্ৰাসৰ সৃষ্টি কৰা বিভিন্ন সন্ত্ৰাসবাদী দল-সংগঠন অথবা তেওঁলোকৰ কাৰ্যকলাপৰ বিষয়ে আপুনি কি কব বিচাৰে?

ঃ বৰ্তমান সময়ত সন্ত্ৰাসবাদ মোৰ মতে এটি ব্যৱসায়। এওঁলোকৰ কোনো আদৰ্শ নাই। কমিউনিষ্ট সকলৰ আদৰ্শ আছিল। মাও চে তুঙে সশস্ত্ৰ আন্দোলন কৰিছিল যদিও তেওঁৰ আদৰ্শ আছিল। বৰ্তমান সময়ত সকলোৰে আদৰ্শ হোৱা উচিত সাৰ্বজনীন মানৱতাবাদ। এই আদৰ্শইহে ভাৰতৰ সৰ্বাঙ্গীন উন্নতি সাধিব পাৰিব।

? আপুনি পুৰাতত্ত্ব বিভাগৰ লগতো জড়িত। এজন পুৰাতত্ত্ববিদ হিচাপে দৰং জিলাৰ ঐতিহাসিক সমলসমূহৰ বিষয়ে আপোনাৰ অভিমত।

ঃ দৰং জিলাত যথেষ্ট পৰিমাণে ঐতিহাসিক স্থান আছে। কিন্তু যথেষ্ট পৰিমাণে সম্পদ আমাৰ ইয়াত এতিয়াও উদ্ধাৰ হোৱা নাই। কোচ ৰাজ্য স্থাপনৰ যুগৰে বহুতো সম্পদ পোৱা গৈছে। ৫০০০ তকৈও অধিক হাতে লিখা পুথি পোৱা গৈছে। দৰঙৰ এই ঐতিহাসিক স্থানসমূহৰ ভিতৰত উল্লেখনীয় তাম্ৰেশ্বৰ দেৱালয় শালস্তম্ভ বংশৰ তাম্ৰধ্বজে প্ৰতিষ্ঠা কৰে বুলি মই এটি প্ৰবন্ধতে উল্লেখ কৰিছো। কিন্তু, বৰ্তমানেও দৰঙৰ এনেধৰণৰ বিভিন্ন ঐতিহাসিক স্থানসমূহ আৰু সমলসমূহ পঞ্জীয়নকৃত হোৱা নাই।

? আমি জানো যে এই সকলোবোৰৰ উপৰিও আপুনি এজন বিশিষ্ট লেখক। আপোনাৰ লিখনি সমূহৰ প্ৰকাশৰ ব্যৱস্থা কৰিছেনে?

ঃ মই এখন গ্ৰন্থ ইতিপূৰ্বে প্ৰকাশ কৰিছো। "মুণ্ডহীন কুকুৰৰ যুঁজ" নামেৰে এই গ্ৰন্থখন ২০১৪ চনতেই প্ৰকাশ পায়। অন্যান্য বিভিন্ন গৱেষণামূলক লেখনি বা প্ৰবন্ধ সমূহ অগ্ৰদূত, নতুন অসমীয়া, এদিনৰ সংবাদ, The Sentinal, The Assam Tribune আদি কাকতৰ উপৰিও বিভিন্ন আলোচনী আদিত প্ৰকাশিত হৈছে।

ইয়াৰ উপৰিও এসময়ত যথেষ্ট পৰিমাণে নাটক লিখিছিলো। তাৰ ভিতৰত 'উল্কাৰ জুই', 'এই ফুল এই ৰং', 'হেৰোৱা দিগন্ত', আদি নাটকসমূহ জনপ্ৰিয় হৈছিল। উল্কাৰ জুই, হেৰোৱা দিগন্তনাটক দুখন "কুমাৰ ভাস্কৰ নাট্য মন্দিৰত" প্ৰথমে মঞ্চস্থ হৈছিল। লক্ষ্যধৰ চৌধুৰী পৰিচালক আছিল, ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰিছিল লগতে ব্ৰজেন বৰুৱা, দিলীপ শৰ্মা, শৈলেন বৰুৱা, ধীৰু ভূঞা, সৰ্বেশ্বৰ চক্ৰৱৰ্তী আদি যশস্বী শিল্পীসকলে অভিনয় কৰিছিল।

? মহাশয়, আপোনাৰ বহুমূলীয়া সময়কণ আমাক দিয়াত আমি বাধিত হৈছো আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ঃ ধন্যবাদ।

# National Seminar : A Profile

A seminar is an opportunity for students to develop the necessary skills to improve the chance in the college environment as well as in their life. Now a days, everything is getting advanced in every aspects of the outer life. The students have to keep an eye on new arival of things. This is where the seminars are of great importance. Students cannot improve their knowledge from textbooks alone. They must have to take part in various seminars on various topics. The educational institution should take interest in conducting these co-curricular activities. We are very lucky to have a national level seminar in our college. The department of Political Science, Sipajhar College, has organised a seminar in colaboration with Deomornoi Degree College, Darrang on 19th & 20th of Sept. 2014, sponsored by UGC under the topic "Panchayati Raj as an Institution for Empowering the women of India with special reference to Assam". Dr. Dhruba Jyoti Bhaumik, Retd. Prof. of Political Science, Kolkata University was present as the resource person and also inaugurated the Abstract of Seminar papers presented by the participants.

The entire seminar was conducted by four Resource Persons/Chairpersons in seven technical sessions in parallel manner. These prominent resource persons were Dr. Dhruba Jyoti Bhaumik, Rtd. Prof. Kokata University; Dr. Niru Hazarika, Rtd. Prof. Gauhati University; Dr. Subham Rajkhowa, Dept. of Law, Gauhati University and Dr. Dulumoni Goswami, Dept. of Education, Gauhati University. In all the seven sessions, 53 nos. papers were presented.

The keynote address of the inugural session was given by Professor Sristidhar Dutta, former Deam Faculty of Social Science, Rajib Gandhi University, Itanagar, Arunachal Pradesh. The entire seminar was conducted by four Resource Persons/Chairpersons in four technical session in Paralled manner. These resource persons were Professor Sristidhar Dutta, Former Dream, Faculty of Social Science, Rajib Gandhi University, Arunachal Pradesh; Dr. Arupjyoti Saikia, A Professor and Head, Dept. of Humanities IIT Guwahati; Rena Laisram, Arunachal Pradesh, Dept. of History, Guwahati University and Meeta Deka, Head, Dept. History, Guwahati University, Sjt. Promod Ch. Kakati, Registrar, Higher Education Assam, Kahilipara and Sri Bhadreswar Nath, Chairman, Governingbody, Sipajhar College, were Present as the Guest of Honour. In all the four sessions, 56 nos. papers were presented.●

# ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই পৰমপিতা পৰমেশ্বৰৰ ওচৰত প্ৰণিপাত জনাই পশ্চিম দৰঙৰ একমাত্ৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত ছিপাঝাৰ মহাবিদ্যালয়ৰ দৰে এখন মহান শিক্ষানুষ্ঠানৰ জন্ম হৈছিল মই সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো।

বৰ্তমান আমাৰ এই অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ সময় আহি পৰিছে। সমগ্ৰ অসমতে এই বৃহত্তৰ অসমীয়া জাতিয়ে মৰ্যদাপুৰ্ণভাৱে আৰু শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ হ'লে আমাৰ ছাত্ৰ-সমাজৰ কৰণীয় বহু কাম তথা দায়িত্ব আছে। মই মোৰ প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক এই দায়িত্বৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনাইছো।

উপ-সভাপতি হিচাপে মোৰ এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ৰ অনুষ্ঠিত হোৱা অনুষ্ঠানবিলাকৰ ভিতৰত মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা, আলোচনা চক্ৰ, বিভিন্ন সভা আদিয়ে প্ৰধান। এই অনুষ্ঠান সমূহত মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ লগতে আমন্ত্ৰিত অতিথিসকলৰ অংশ গ্ৰহণে সৌষ্ঠৱ বৃদ্ধি কৰে।

অতীতৰ পৰাই মহাবিদ্যালয়খনিৰ বহুতো সমস্যা আছিল যদিও বৰ্তমান সময়ত বহুখিনি সমস্যাই সমাধান হৈছে। আৰু আশা কৰিম যি দুই-চাৰি সমস্যা আছে সেইখিনি অতি সোনকালে সমাধান হ'ব।

মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্ততে সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিলো। সদৌ শেষত ছিপাঝাৰ মহাবিদ্যালয় সুন্দৰ হওঁক তাৰ কামনাৰে প্ৰতি বেদনৰ সামৰিণ মাৰিলোঁ।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়।  
জয়তু ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা  
জয় আই অসম

- প্ৰাঞ্জল বৰুৱা

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই পৰমপিতা পৰমেশ্বৰৰ ওচৰত প্ৰণিপাত জনাইছো আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে এই সংস্কৃতিৰে ভৰপূৰ অঞ্চলটোত যিসকল মহান ব্যক্তিৰ ঐক্য প্ৰচেষ্টাত এই ঐতিহ্যপূৰ্ণ ছিপাঝাৰ মহাবিদ্যালয়খনি এখন সৰ্বাংগ সুন্দৰ মহাবিদ্যালয় ৰূপে গঢ়ি উঠিছিল, সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

ছিপাঝাৰ মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সাধাৰণ সম্পাদকৰ পদত জয়যুক্ত কৰি যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিয়ে এই বহল সমাজখনৰ সৈতে চিনাকি হোৱাৰ সুযোগকণ দিলে, তেওঁলোকলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আজিৰ সমাজখনত বিভিন্ন ধৰণৰ হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ আদি বিভিন্ন ধৰণৰ অশান্তিয়ে বিৰাজ কৰিছে। এইবোৰ নোহোৱা কৰিবৰ বাবে আমি মাৰ বান্ধি থিয় হ'ব লাগে। বিশেষকৈ আমাৰ যুৱ প্ৰজন্মই ইয়াৰ হকে মাত মাতিব লাগিব। আজিৰ সমাজৰ সকলো যুৱ প্ৰজন্ম সচেতন হ'লেহে ইয়াক নিৰাময় কৰিব পৰা যাব। তাৰ বাবে প্ৰয়োজন হব প্ৰবল আত্মবিশ্বাস আৰু সাহস। সকলো একগোট হৈ প্ৰবল জনমতৰ দ্বাৰাহে ই সম্ভৱ। বৰ্তমান যুৱ প্ৰজন্মই নিজক প্ৰতিষ্ঠা কৰাৰ লগতে সমাজখনকো প্ৰতিষ্ঠা কৰাৰ সময় আহি পৰিছে। মই মোৰ এই প্ৰতিবেদনৰ যোগেদি সকলো যুৱ প্ৰজন্মক বেয়া শক্তিৰ বিৰুদ্ধে যুঁজি সমাজখনৰ উন্নতিৰ হকে যুঁজ দিবলৈ অনুৰোধ জনাইছোঁ।

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



পোন প্ৰথমে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আনহাতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত মহাবিদ্যালখনিয়ে আজিৰ এই অৱস্থাত উপনীত হৈছেহি তেওঁলোক সকলোলৈ আন্তৰিক শ্ৰদ্ধা তথা ভক্তি নিবেদন কৰিছো।

পশ্চিম দৰঙৰ একমাত্ৰ শিক্ষানুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়। যি এনে এখন ঠাইত অৱস্থিত য'ত সৃষ্টি হৈছে ঐক্যতাৰ এনাজৰীৰ সাকো। ইয়াৰ পৰাই সৃষ্টি হৈছিল বহু প্ৰতিভা আৰু ভৱিষ্যতেও এই ধাৰা অব্যাহত থাকিব। এনে এখন মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সাধাৰণ সম্পাদক হ'বলৈ পাই মই নথৈ সুখী। যিসকলে আজি মোক এই সম্পাদকৰ পদৰ বাবে নিৰ্বাচিত কৰিছে তেওঁলোকৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ থাকিম।

**কাম-কাজৰ খতিয়ান ঃ** প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ দৰে এই বছৰৰ ছিপাঝাৰ মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈ যায় আৰু এই নিৰ্বাচনত মই সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হওঁ। মোৰ কাৰ্যকালৰ ঠিক দুদিন পিছতে হৈ যায় মহাবিদ্যালয় সপ্তাহ। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি তাকৰ যদিও কোনো সমস্যাৰ সন্মুখীন নোহোৱাকৈ এই অনুষ্ঠানটি সুচাৰুৰূপে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহখনি যোৱা ইং ২৩-১-২০১৪ তাৰিখৰ পৰা ইং ২৯-১-১৪ তাৰিখলৈ অনুষ্ঠিত কৰা হয়। আমাৰ কাৰ্যকালত সততে অনুভৱ কৰি কেইটামান অভাৱ ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃপক্ষৰ জ্ঞাতাৰ্থে উল্লেখ কৰিলো।

(১) কিছুমান আধুনিক বাদ্য যন্ত্ৰৰ প্ৰয়োজন হৈছে। (২) এটা আলমিৰাৰ প্ৰয়োজন। (৩) যিখিনি বাদ্যযন্ত্ৰ আছে সেইখিনি থোৱাৰ কোনো সা-সুবিধা মহাবিদ্যালয়খনত নাই। (৪) এজন তবলা/হাৰমনিয়াম শিকোৱা শিক্ষকৰ প্ৰয়োজন হৈছে। (৫) পুৰণি বাদ্যযন্ত্ৰবোৰ ভাল কৰিব লাগে।

**কৃতজ্ঞতা জ্ঞাপন ঃ** মোৰ কৰ্ম-কাৰ্যবোৰক শৃংখলাবদ্ধতাৰে তথা পুংখানুপুংখ ভাবে নিৰবচ্ছিন্ন গতিৰে সম্পন্ন কৰাত মোৰ তত্ত্বাবধায়ক মহোদয় শ্ৰীমুকুল কুমাৰ চহৰীয়া আৰু চিত্ৰাবাণী বৰুৱা বাইদেউ, ড° প্ৰসন্ন কুমাৰ নাথ ছাৰ, মন্টু হাজৰিকা ছাৰলৈ ধন্যবাদ জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও মোক সততে সহায় কৰা জয়ন্ত বড়া, বিজয়লক্ষ্মী, অপূৰ্ব, ৰঞ্জু, নিকু, বৰ্ণালী নাথ, বৰ্ণালী কলিতা, যাদুল, জে. পি. প্ৰাঞ্জল, ৰিতুল আৰু সকলো বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

-চিন্ময় জ্যোতি বৰুৱা

## তৰ্ক আৰু অধ্যয়ন চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



অদৃশ্য জনৰ প্ৰতি প্ৰণিপাত আগবঢ়াই প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সেইসকল পুৰুষক সুঁৱৰিছো, যি সকলৰ অশেষ শ্ৰম তথা সুদূৰ প্ৰসাৰী চিন্তা আৰু ত্যাগৰ বিনিয়মত প্ৰতিষ্ঠা হ'ল ছিপাঝাৰ মহাবিদ্যালয়। ২০১৩-২০১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'তৰ্ক আৰু অধ্যয়ন চক্ৰ বিভাগ'ৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে এই সুযোগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণৰ কিছুদিন পিছত অনুষ্ঠিত হয় মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ - অসমীয়া আৰু ইংৰাজী কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, তৰ্ক আৰু কুইজ প্ৰতিযোগিতা সুচাৰুৰূপে আয়োজন কৰাৰ বাবে মই পুৰামাত্ৰেই চেষ্টা চলাইছিলো।

জানিছিলো এই দায়িত্ব সুচাৰুৰূপে পালন কৰিব নোৱাৰিম। কিন্তু সতীৰ্থ আৰু শিক্ষাগুৰু সকলৰ সময় আৰু সাহসে এই দায়িত্ব সুচাৰুৰূপে চলাই নিয়াত যথেষ্ট সহায় কৰিছিল। ইয়াৰ ওপৰিও ৫-১১-২০১৪ তাৰিখে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু তিথিত

মহাবিদ্যালয়ত এখন ড° ভূপেন হাজৰিকা বিষয়ক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এইখিনিতে মই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকা ছাৰ, বিভাগীয় তত্বাৱধায়ক ড° দিবাকৰ চন্দ্ৰ দাস ছাৰ, ড° দেবব্ৰত বৰদলৈ ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু আৰু কৰ্মচাৰীলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে মোৰ এই এবছৰীয়া কাৰ্যকালত মোক বিভিন্ন ধৰণে সহায় কৰা মোৰ বন্ধু-বান্ধৱী ক্ৰমে জ্যোতি, মিলন, বিদ্যুৎ, ৰঞ্জু, জয়ন্ত, বৰ্ণালী কলিতা, বৰ্ণালী, চয়নিকা আদিলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

- নিকু কলিতা

# ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে ছিপাঝাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু ভক্তি নিবেদিছো। যিসকল মহান ব্যক্তিৰ জীৱনজোৰা সাধনা, আপ্ৰাণ চেষ্টা আৰু একাগ্ৰ সেৱাৰ বিনিময়ত মহাবিদ্যালয়খনিয়ে প্ৰগতিৰ লাইখুটা পুতি পূৰ্ণাঙ্গ ৰূপলৈ অগ্ৰসৰ হৈছে; দৰং জিলাৰ ভিতৰতে এখন আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠিছে তেওঁলোকলৈ মই অন্তঃকৰণেৰে সেৱা, শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছোঁ। লগতে মহাবিদ্যালয়ৰ অগ্ৰজ-অনুজ আৰু বন্ধু-বান্ধৱী লৈ মোৰ হিয়া ভৰা মৰম যাচিছোঁ।

২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ

ছিপাঝাৰ মহাবিদ্যালয়ৰ দৰে এখন মহান অনুষ্ঠানৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ পাই মই নিজকে ধন্য মানিছো। যদিও মহাবিদ্যালয় নিৰ্বাচনত মই প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা নাছিলো; তথাপি বিশেষ কাৰণবশতঃ এই পদৰবাবে মনোনীত কৰাৰ বাবে অধ্যক্ষ মহোদয় তথা ছাত্ৰ একতা সভালৈ ধন্যবাদ জ্ঞাপন কৰিছো। ইং ২৩/১/২০১৪ তাৰিখৰ পৰা

২০১৩-১৪ বৰ্ষৰ কাৰ্যভাৰ গ্ৰহণৰ কিছুদিন পিছতেই এই বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। ইং ২৩/১/২০১৪ তাৰিখৰ পৰা ২৯/১/২০১৪ তাৰিখলৈ হোৱা মহাবিদ্যালয় সপ্তাহত ইং ২৮/১/২০১৪ তাৰিখে ছাত্ৰী জিৰণি চ'ৰা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে ধাৰ্য কৰা হয়। এই দিনটোত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে পূৰ্ণ সহযোগিতা আগবঢ়ায়। ছাত্ৰী জিৰণি কোঠাৰ পৰা বিশেষকৈ ছাত্ৰীসকলৰ বিভিন্ন প্ৰতিভাৰ প্ৰতি লক্ষ্য কৰি কইনা প্ৰতিযোগিতা, আল্পনা অঁকা প্ৰতিযোগিতা, জেতুকা প্ৰসাধন (মেহেন্দী অঁকা), পৰম্পৰাগত সাজ-সজ্জা, পিঠা-পনা সঁজা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰীসকলে এই প্ৰতিযোগিতাৰ প্ৰতি সঁহাৰি জনায় আৰু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ বৰ্তমান সা-সুবিধা অতি তাকৰ। ইয়াৰ উপৰিও কোঠালিৰ অৱস্থাত যথেষ্ট নিম্নখাপৰ। তথাপিও আমি আশাবাদী যে অধ্যক্ষ মহোদয়ে এই বিষয়ে অধিক গুৰুত্ব দি অতি শীঘ্ৰে এটি সুব্যৱস্থা কৰিব। লগতে এইটো স্বীকাৰ্য যে এখন সুস্থ মঞ্চ পালে ছাত্ৰীসকলে নিশ্চয় আগবাঢ়ি আহিব।

মোৰ কাৰ্যকালৰ সময়ছোৱাত প্ৰতিটো কামতে দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, তত্বাৱধায়িকা গুলতাজ বেগম বাইদেউলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও মৰমৰ বন্ধু-বান্ধৱী সকলে সততে মোক সহায় কৰি কাম-কাজবোৰ সূচাৰুৰূপে চলাই নিয়াত হাত উজান দিয়ে। তেওঁলোকলৈও মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰী জিৰণি কোঠা মহাবিদ্যালয় ছাত্ৰীসকলৰ বাবে এখন সুকীয়া মঞ্চ য'ত তেওঁলোকে সুপ্ত প্ৰতিভাৰ উৎকৰ্ষ সাধনৰ সুযোগ লাভ কৰিব পাৰে। সেয়ে এই কোঠাটি সুন্দৰ আৰু নিকা কৰি ৰাখিবলৈ প্ৰতিগৰাকী ছাত্ৰীলৈ অনুৰোধ জনালো লগতে অজানিতে হোৱা ভুল-ত্ৰুটিৰ ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা।

বৰ্ণালী কলিতা

# মহাবিদ্যালয় সপ্তাহ - ২০১৩-১৪ ৰ প্ৰতিযোগিতাৰ ফলাফল

**সাহিত্য প্ৰতিযোগিতাৰ ফলাফল**

☞ **পত্ৰলেখা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ছাজাদ আজাহাৰুল হক (প্ৰথম ষাণ্মাসিক)
দ্বিতীয় ঃ অপৰূপা শৰ্মা (তৃতীয় ষাণ্মাসিক)
তৃতীয় ঃ বৰ্ণালী কলিতা (তৃতীয় ষাণ্মাসিক)

☞ **কবিতা লেখা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ তৃষ্ণামণি ডেকা (প্ৰথম ষাণ্মাসিক)
দ্বিতীয় ঃ ৰাজীৱ লোচন কুমাৰ (তৃতীয় ষাণ্মাসিক)
তৃতীয় ঃ ৰাজশ্ৰী শৰ্মা (প্ৰথম ষাণ্মাসিক)

☞ **গল্প লেখা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বৰ্ণালী কলিতা (তৃতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ অপৰূপা শৰ্মা (তৃতীয় ষাণ্মাসিক)
তৃতীয় ঃ তৃষ্ণামণি ডেকা (প্ৰথম ষাণ্মাসিক)

**খেলবিভাগৰ দ্বাৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহৰ বিজয়ী সকল ঃ**

☞ **ছোৱালীৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিনিতা চহৰীয়া (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ ভাগ্যশ্ৰী নাথ (৪ৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ লক্ষ্যহীৰা শৰ্মা (৪ৰ্থ ষাণ্মাসিক)

☞ **ল'ৰাৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ অৰুণ বৰুৱা (৬ষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ চিন্ময় মহন্ত (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিনিতা চহৰীয়া (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ ভাগ্যশ্ৰী নাথ (৪ৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ অৰ্চনা বৰুৱা (৪ৰ্থ ষাণ্মাসিক)
ডলি ডেকা (২য় বৰ্ষ)

☞ **ল'ৰাৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ কুমুদ বণিয়া (২য় ষাণ্মাসিক)
তৃতীয় ঃ অপূৰ্ব ডেকা (৬ষ্ঠ ষাণ্মাসিক)

☞ **ছোৱালীৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিনিতা চহৰীয়া (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ ভাগ্যশ্ৰী নাথ (৪ৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ ডলি ডেকা (২য় বৰ্ষ)

☞ **ল'ৰাৰ ৪০০ মিটাৰ দৌৰ** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ দিপজ্যোতি বৰুৱা (২য় ষাণ্মাসিক)
তৃতীয় ঃ উজ্জ্বলজ্যোতি চহৰীয়া (৪ৰ্থ ষাণ্মাসিক)

☞ **ল'ৰাৰ ৪০০ মিটাৰ দৌৰ** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ উজ্জ্বলজ্যোতি চহৰীয়া (৪ৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ হীৰক ডেকা (৬ষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)
দ্বীপজ্যোতি বৰুৱা (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ ওজন দলিওৱা** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ লক্ষ্যহীৰা শৰ্মা (৪ৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ নাচিন পাৰবিন চুলতানা (২য় ষাণ্মাসিক)
তৃতীয় ঃ বিনীতা চহৰীয়া (২য় ষাণ্মাসিক)

☞ **ল'ৰাৰ ওজন দলিওৱা** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ নৱজ্যোতি ৰাজবংশী (২য় বৰ্ষ)
তৃতীয় ঃ উৎপল ডেকা (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ কাঁহী দলিওৱা** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ চন্দনা কলিতা (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ বিনীতা চহৰীয়া (২য় ষাণ্মাসিক)
তৃতীয় ঃ নাৰছীন পাৰবীন চুলতানা (২য় ষাণ্মাসিক)

☞ **ল'ৰাৰ কাঁহী দলিওৱা** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ নৱজ্যোতি ৰাজবংশী (২য় বৰ্ষ)
তৃতীয় ঃ আচকৰ আলী (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ জাঠি দলিওৱা** প্ৰতিযোগিতা ঃ

প্ৰথম ঃ বিনীতা চহৰীয়া (২য় ষাণ্মাসিক)
দ্বিতীয় ঃ দুটুমণি বড়ো (৬ষ্ঠ ষাণ্মাসিক)

তৃতীয় ঃ ফুলমা ডেকা (৬ষ্ঠ ষাণ্মাসিক)

☞ **ল'ৰাৰ জাঠি দলিওৱা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ হীৰক ডেকা (৬ষ্ঠ ষাণ্মাসিক)

দ্বিতীয় ঃ অৰুণ বৰুৱা (৬ষ্ঠ ষাণ্মাষিক)

তৃতীয় ঃ দিব্যজ্যোতি বৰুৱা (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ দীঘল জাপ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিনীতা চহৰীয়া (২য় ষাণ্মাসিক)

দ্বিতীয় ঃ সুৰঞ্জনা শইকীয়া (২য় ষাণ্মাসিক)

তৃতীয় ঃ ভাগ্যশ্ৰী নাথ (৪ৰ্থ ষাণ্মাসিক)

☞ **ল'ৰাৰ দীঘল জাপ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)

দ্বিতীয় ঃ ভাৰ্গৱজ্যোতি বৰুৱা (.......ষ্ঠ ষাণ্মাসিক)

তৃতীয় ঃ চিন্ময় মহন্ত (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ ওখ জাপ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিনীতা চহৰীয়া (২য় ষাণ্মাসিক)

দ্বিতীয় ঃ সুৰঞ্জনা শইকীয়া (২য় ষাণ্মাসিক)

তৃতীয় ঃ ডলি ডেকা (২য় বাৰ্ষিক)

☞ **ল'ৰাৰ ওখ জাপ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জিন্টুমণি নাথ (২য় ষাণ্মাসিক)

দ্বিতীয় ঃ কিশোৰ ভট্টাচাৰ্য (৪ৰ্থ ষাণ্মাসিক)

তৃতীয় ঃ অজিত হাজৰিকা (২য় ষাণ্মাসিক)

☞ **ছোৱালীৰ বেডমিন্টন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিনীতা চহৰীয়া (২য় ষাণ্মাসিক)

দ্বিতীয় ঃ মনালিচা কলিতা (২য় ষাণ্মাসিক)

☞ **ল'ৰাৰ বেডমিন্টন প্ৰতিযোগিতা ঃ**

**চেম্পিয়ন ঃ**

প্ৰথম ঃ জিয়াৰেজা আখতাৰ (৪ৰ্থ ষাণ্মাসিক)
নিকু কলিতা (৪ৰ্থ ষাণ্মাসিক)

**ৰাণাৰ্চ আপ ঃ**

দ্বিতীয় ঃ কামাল হাচান (৪ৰ্থ ষাণ্মাসিক)
অংশুমান যোগীৰাজ (৪ৰ্থ ষাণ্মাসিক)

☞ **ছোৱালীৰ কাবাডী প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ নিতুমণি কলিতা (২য় ষাণ্মাসিক)
ৰেচমীনা জেচমিন শইকীয়া (২য় ষাণ্মাসিক)
নাৰজিন পাৰবিন চুলতানা (২য় ষাণ্মাসিক)
ভনীতা দেৱী (২য় ষাণ্মাসিক)
পল্লবী বৰুৱা (২য় ষাণ্মাসিক)
জুৰিণা খানম (৪ৰ্থ ষাণ্মাসিক)

দ্বিতীয় ঃ ৰিতুপৰ্ণা বৰুৱা (৩য় ষাণ্মাসিক)
চয়নিকা কলিতা (৩য় ষাণ্মাসিক)
কাবেৰী চহৰীয়া (৩য় ষাণ্মাসিক)
আচিয়ানা পাৰবিন (৩য় ষাণ্মাসিক)
নোভাশ্ৰী দেৱী (১ম ষাণ্মাসিক)
অপৰূপা হাজৰিকা (১ম ষাণ্মাসিক)
নিবেদিতা চহৰীয়া (১ম ষাণ্মাসিক)

☞ **ল'ৰাৰ কাবাডী প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ অৰুণ বৰুৱা (৬ষ্ঠ ষাণ্মাসিক)
জিন্টুমণি নাথ (১ম ষাণ্মাসিক)
নবজ্যোতি ৰাজবংশী (১ম ষাণ্মাসিক)
চিন্ময় মহন্ত (১ম ষাণ্মাসিক)
মৃগাংক কুমাৰ নাথ (১ম ষাণ্মাসিক)
ৰাহুল শৰ্মা (৩য় ষাণ্মাসিক)
মৃণাল শৰ্মা (৬ষ্ঠ ষাণ্মাসিক)
হিৰণ্য চহৰীয়া (৬ষ্ঠ ষাণ্মাসিক)
যাদুল বৰুৱা (৩য় ষাণ্মাসিক)

দ্বিতীয় ঃ কুলদ্বীপ বৰুৱা (৬ষ্ঠ ষাণ্মাসিক)
জয়ন্ত বৰা (১ম বৰ্ষ উঃ মাঃ)
অপূৰ্ব বণিয়া (১ম বৰ্ষ উঃ মাঃ)
কল্লজ্যোতি শৰ্মা (১ম ষাণ্মাসিক)
চোলেমান আলি (১ম ষাণ্মাসিক)
দ্বীপজ্যোতি বৰুৱা (১ম ষাণ্মাসিক)

☞ **ল'ৰাৰ ভলীবল প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ হৰীচন্দ কলিতা (২য় ষাণ্মাসিক)
অৰূপজ্যোতি শৰ্মা (২য় ষাণ্মাসিক)
কুলদ্বীপ বৰুৱা (২য় ষাণ্মাসিক)
হিমাংশু হাজৰিকা (২য় ষাণ্মাসিক)
ভাৰ্গৱ বৰুৱা (৬ষ্ঠ ষাণ্মাসিক)
অপূৰ্ব চহৰীয়া (৬ষ্ঠ ষাণ্মাসিক)
হীৰক ডেকা (৬ষ্ঠ ষাণ্মাসিক)

দ্বিতীয় ঃ পাৰ্থপ্ৰতীম ডেকা (২য় ষাণ্মাসিক)
নয়নমণি নাথ (২য় ষাণ্মাষিক)
পৰাগ শৰ্মা (২য় ষাণ্মাষিক)
মোস্তাফা জামান (২য় ষাণ্মাসিক)
জ্যোতি নাথ (২য় ষাণ্মাষিক)
চাজাদ আজমল হক (২য় ষাণ্মাষিক)

২০১৪ -২০১৫ বৰ্ষৰ ল'ৰাৰ শ্ৰেষ্ঠ খেলুৱৈ

জিন্টুমণি নাথ (২য় ষাণ্মাষিক)

২০১৪ -২০১৫ বৰ্ষৰ ছোৱালীৰ শ্ৰেষ্ঠা খেলুৱৈ

বিনীতা চহৰীয়া (২য় ষাণ্মাষিক)

## ৪১ তম মহাবিদ্যালয় সপ্তাহ উপলক্ষে

## সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল :

☞ **বৰগীত প্ৰতিযোগিতা :**

প্ৰথম : হৰিপ্ৰিয়া কলিতা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় : চিন্ময় মহন্ত (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় : চিমি ডেকা (চতুৰ্থ বাৰ্ষিক)

☞ **লোকগীত প্ৰতিযোগিতা :**

প্ৰথম : মমতাজ বেগম (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় : চিমি ডেকা (চতুৰ্থ বাৰ্ষিক)
তৃতীয় : দিপ্তীমণি ডেকা (দ্বিতীয় ষাণ্মাসিক)

☞ **জিকিৰ প্ৰতিযোগিতা :**

প্ৰথম : চিমি ডেকা (চতুৰ্থ বাৰ্ষিক)
দ্বিতীয় : মমতাজ বেগম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় : দিপ্তীমণি ডেকা (দ্বিতীয় ষাণ্মাসিক)

☞ **ছিয়াগীত প্ৰতিযোগিতা :**

প্ৰথম : হৰিপ্ৰিয়া কলিতা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় : মমতাজ বেগম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)
দিপ্তী ডেকা (দ্বিতী ষাণ্মাসিক)

☞ **জ্যোতিসঙ্গীত প্ৰতিযোগিতা :**

প্ৰথম : ধৰিত্ৰী কলিতা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় : শিখামণি কলিতা (দ্বিতীয় ষাণ্মাসিক)

☞ **বাভাসঙ্গীত প্ৰতিযোগিতা :**

প্ৰথম : ইমন কল্যাণ শইকীয়া (দ্বিতীয় বাৰ্ষিক)
দ্বিতীয় : ধৰিত্ৰী কলিতা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)

☞ **ভূপেন্দ্ৰসঙ্গীত প্ৰতিযোগিতা :**

প্ৰথম : ধৰিত্ৰী কলিতা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় : ইমন কল্যাণ শইকীয়া (দ্বিতীয় বাৰ্ষিক)
তৃতীয় : দিপ্তীমণি ডেকা (দ্বিতীয় ষাণ্মাসিক)

☞ **জয়ন্তসঙ্গীত প্ৰতিযোগিতা :**

প্ৰথম : হৰিপ্ৰিয়া কলিতা (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় : শিখামণি কলিতা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় : ধৰিত্ৰী কলিতা (দ্বিতীয় ষাণ্মাসিক)

☞ **আধুনিক গীত প্ৰতিযোগিতা :**

প্ৰথম : ত্ৰৈলোক্য নাথ (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় : দিপ্তীমণি ডেকা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)

☞ **পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত প্ৰতিযোগিতা :**

প্ৰথম : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় : হৰিপ্ৰিয়া কলিতা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় : কৰবী নাথ (দ্বিতীয় ষাণ্মাসিক)

☞ **বিয়ানাম প্ৰতিযোগিতা :**

প্ৰথম দল : ৰিতুপৰ্ণা বৰুৱা (চতুৰ্থ ষাণ্মাসিক) - দলপতি
কাবেৰী চহৰীয়া (চতুৰ্থ ষাণ্মাসিক)
নিবেদিতা চহৰীয়া (দ্বিতীয় ষাণ্মাসিক)
মিতালী ডেকা (দ্বিতীয় ষাণ্মাসিক)
অপৰূপা হাজৰিকা (দ্বিতীয় ষাণ্মাসিক)
নভাশ্ৰী দেৱী (দ্বিতীয় ষাণ্মাসিক)
লিপিকা শৰ্মা (দ্বিতীয় ষাণ্মাসিক)

দ্বিতীয় দল : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক) - দলপতি
চয়নিকা কলিতা (চতুৰ্থ ষাণ্মাসিক)
বৰ্ণালী কলিতা (চতুৰ্থ ষাণ্মাসিক)

তৃতীয় দল : শিখামণি কলিতা (চতুৰ্থ ষাণ্মাসিক) - দলপতি
মমতাজ বেগম (চতুৰ্থ ষাণ্মাসিক)
ধৰিত্ৰী কলিতা (দ্বিতীয় ষাণ্মাসিক)

☞ **আধুনিক নৃত্য প্ৰতিযোগিতা :**

প্ৰথম : ধীৰাজ কুমাৰ নাথ (ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় : চিন্ময় মহন্ত (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় : ডলিমা ডেকা (দ্বিতীয় ষাণ্মাসিক)

☞ **বিহুনৃত্য প্ৰতিযোগিতা :**

প্ৰথম : পল্লবী চহৰীয়া ( ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় : চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় : গীতিকা নাথ ( ষষ্ঠ ষাণ্মাসিক)
কাবেৰী চহৰীয়া (চতুৰ্থ ষাণ্মাসিক)

☞ **ভেশচন প্ৰতিযোগিতা :**

প্ৰথম : ইলিমা বেগম ( চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় : পল্লবী মহন্ত (ষষ্ঠ ষাণ্মাসিক) - দলপতি
পল্লবী চহৰীয়া
বন্দিতা বৰুৱা

তৃতীয় ঃ নমিতা শইকীয়া ( ষষ্ঠ ষাণ্মাসিক)

☞ শোভাযাত্ৰা প্ৰতিযোগিতা ঃ

প্ৰথম ঃ শিক্ষাবিভাগ

দ্বিতীয় ঃ ভূগোল বিভাগ

উদগণিমূলকভাবে ঃ

অসমীয়া, দৰ্শন, ইংৰাজী, অৰ্থনীতি, বুৰঞ্জী, ছাত্ৰী নিবাস। পল্লৱী চহৰীয়া বন্দিতা বৰুৱা

তৃতীয় ঃ নমিতা শইকীয়া ( ষষ্ঠ ষাণ্মাসিক)

শ্ৰেষ্ঠা গায়িকা ঃ চিমি ডেকা (চতুৰ্থ ষাণ্মাসিক)

## তৰ্ক আৰু অধ্যয়ন বিভাগ ঃ

☞ **অসমীয়া কবিতা আবৃত্তি ঃ**

প্ৰথম ঃ তৃষ্ণামণি ডেকা (তৃতীয় ষাণ্মাসিক)

দ্বিতীয় ঃ ৰাজীৱ লোচন কুমাৰ (পঞ্চম ষাণ্মাসিক)

তৃতীয় ঃ বৰ্ণালী কলিতা (পঞ্চম ষাণ্মাসিক)

☞ **ইংৰাজী কবিতা আবৃত্তি ঃ**

প্ৰথম ঃ মনোজ হাজৰিকা (তৃতীয় ষাণ্মাসিক)

দ্বিতীয় ঃ ৰিঞ্জুমণি বেগম (পঞ্চম ষাণ্মাসিক)

তৃতীয় ঃ বৰ্ণালী কলিতা (পঞ্চম ষাণ্মাসিক)

☞ **আকস্মিক বক্তৃতা ঃ**

প্ৰথম ঃ তৃষ্ণামণি ডেকা (তৃতীয় ষাণ্মাসিক )

দ্বিতীয় ঃ বৰ্ণালী কলিতা (পঞ্চম ষাণ্মাসিক)

তৃতীয় ঃ ৰিঞ্জুমণি বেগম (পঞ্চম ষাণ্মাসিক )

☞ **কুইজ প্ৰতিযোগিতাৰ বিজয়ী দল ঃ**

প্ৰথম দল ঃ নিকু কলিতা (৫ম ষাণ্মাসিক)
ৰাজীৱ লোচন কুমাৰ (৫ম ষাণ্মাসিক)

দ্বিতীয় দল ঃ নিৰুপম ডেকা (৬ষ্ঠ ষাণ্মাসিক )
চবনম খানম (৬ষ্ঠ ষাণ্মাসিক)

তৃতীয় দল ঃ বৰ্ণালী কলিতা (৫ম ষাণ্মাসিক )
ভাস্বতী দেৱী (৫ম ষাণ্মাসিক)

☞ **ড° ভূপেন হাজৰিকা বিষয়ক কুইজ প্ৰতিযোগিতা বিজয়ী দল ঃ**

প্ৰথম দল ঃ নিকু কলিতা (৫ম ষাণ্মাসিক)
ভূপালী দেৱী (১ম ষাণ্মাসিক)

দ্বিতীয় দল ঃ বৰ্ণালী কলিতা (৫ম ষাণ্মাসিক)
ৰাজীৱ লোচন কুমাৰ (৫ম ষাণ্মাসিক)

তৃতীয় দল ঃ জেৰুলিনা হাফিজ (১ম ষাণ্মাসিক)
মুচফিয়া আলম চিদ্দিকা (১ম ষাণ্মাসিক)

## ছাত্ৰী জিৰণী কোঠা

☞ **কইনা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ কাবেৰী চহৰীয়া (তৃতীয় ষাণ্মাসিক)

দ্বিতীয় ঃ মমিতা ৰাণী (তৃতীয় ষাণ্মাসিক)

তৃতীয় ঃ জ্যোতিমণি ডেকা (তৃতীয় ষাণ্মাসিক)

☞ **আল্পনা অঁকা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্বাস্বকী শইকীয়া (প্ৰথম ষাণ্মাসিক)

দ্বিতীয় ঃ চয়নিকা কলিতা (তৃতীয় ষাণ্মাসিক)

তৃতীয় ঃ ধনশ্ৰী দেৱী (পঞ্চম ষাণ্মাসিক)
নমিতা ডেকা (পঞ্চম ষাণ্মাসিক)

☞ **মেহেন্দী অঁকা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বৰ্ণালী নাথ (তৃতীয় ষাণ্মাসিক)

দ্বিতীয় ঃ শ্বস্বতী শইকীয়া (প্ৰথম ষাণ্মাসিক)

☞ **পিঠা-পনা প্ৰতিযোগিতা ঃ**

দ্বিতীয় ঃ শ্বস্বতী শইকীয়া (প্ৰথম ষাণ্মাসিক)

☞ **পৰম্পৰাগত সাজ-সজ্জা ঃ**

ধনশ্ৰী দেৱী (পঞ্চম ষাণ্মাসিক)
চয়নিকা কলিতা (তৃতীয় ষাণ্মাসিক)
কাবেৰী চহৰীয়া (তৃতীয় ষাণ্মাসিক)
মমিতা ৰাণী (তৃতীয় ষাণ্মাসিক)
ৰিতুপৰ্ণা বৰুৱা (তৃতীয় ষাণ্মাসিক)
আচিয়ানা পাৰবিন আহমেদ (তৃতীয় ষাণ্মাসিক)

# ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষসকল (১৯৭১ - ২০১৪) লৈ

| অধ্যক্ষসকলৰ নাম | কাৰ্যকাল | |
|---|---|---|
| শ্ৰীভদ্ৰেশ্বৰ নাথ, এম. এ. বি. টি. (অবৈতনিক) | ৮-৮-১৯৭১ ৰ পৰা | ১৯-১-১৯৭২ লৈ |
| ড° চন্দ্ৰ প্ৰভা ভূঞা, এম. এ. পি. এইচ. ডি. (ভাৰপ্ৰাপ্ত) | ২০-৮-১৯৭২ ৰ পৰা | ৩১-১-১৯৭৪ লৈ |
| শ্ৰীভবানন্দ ৰাজখোৱা, এম. এ. | ১-২-১৯৭৪ ৰ পৰা | ১৬-৭-১৯৮২ লৈ |
| শ্ৰীৰেৱণ চন্দ্ৰ নাথ, এম. এ. | ২২-৭-১৯৮২ ৰ পৰা | ২৮-২-২০০৩ লৈ |
| শ্ৰীবিদ্যাৰাম নাথ, এম. এ. (ভাৰপ্ৰাপ্ত) | ১-৩-২০০৩ ৰ পৰা | ৩০-৪-২০০৫ লৈ |
| ড° দেবেন্দ্ৰনাথ শৰ্মা, এম. এছ. চি. পি. এইচ. ডি. | ৪-৫-২০০৫ ৰ পৰা | ২০-৬-২০০৬ লৈ |
| শ্ৰীকনক চন্দ্ৰ ডেকা, এম. এ. (ভাৰপ্ৰাপ্ত) | ২১-৬-২০০৬ ৰ পৰা | ২২-১-২০১২ লৈ |
| ড° প্ৰদীপ চন্দ্ৰ ডেকা, এম. এছ. চি. বি. এড. পি. এইচ. ডি. | ২৩-১-২০১২ ৰ পৰা বৰ্তমানলৈ | |



ভদ্ৰেশ্বৰ নাথ



ড° চন্দ্ৰ প্ৰভা ভূঞা



ভবানন্দ ৰাজখোৱা



ৰেৱণ চন্দ্ৰ নাথ



বিদ্যাৰাম নাথ



ড° দেবেন্দ্ৰনাথ শৰ্মা



কনক চন্দ্ৰ ডেকা



ড° প্ৰদীপ চন্দ্ৰ ডেকা

# ছিপাঝাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়কসকল (১৯৮২ - ২০১৩)

| চন | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|
| ১৯৮২ - ১৯৮৩ | নন্দীৰাম কলিতা | দ্বিজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৩ - ১৯৮৪ | কমল হাজৰিকা | দ্বিজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৪ - ১৯৮৫ | দিলীপ কুমাৰ | মহেন্দ্ৰ কটকী |
| ১৯৮৫ - ১৯৮৬ | নিৰেন নাথ | দেৱব্ৰত বৰদলৈ |
| ১৯৮৬ - ১৯৮৭ | তপন কুমাৰ নাথ | মোহিনী গোস্বামী |
| ১৯৮৭ - ১৯৮৯ | প্ৰিয় কুমাৰ বৰা | ৰামচন্দ্ৰ ডেকা |
| ১৯৮৯ - ১৯৯০ | আখতাৰ হুচেইন | ৰামচন্দ্ৰ ডেকা |
| ১৯৯০ - ১৯৯১ | নীলমণি বৰা | ৰামচন্দ্ৰ ডেকা |
| ১৯৯১ - ১৯৯২ | মণ্টু চহৰীয়া | জয়ন্ত কুমাৰ হাজৰিকা, তন্দ্ৰালী চৌধুৰী |
| ১৯৯৩ - ১৯৯৪ | মন্টু চহৰীয়া | বিদ্যাৰাম নাথ |
| ১৯৯৪ - ১৯৯৫ | দিলীপ কুমাৰ শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |
| ১৯৯৫ - ১৯৯৬ | দ্বিপেন বৰা | ড° ৰামচন্দ্ৰ ডেকা |
| ১৯৯৬ - ১৯৯৭ | দিগন্ত শৰ্মা | দেৱব্ৰত বৰদলৈ |
| ১৯৯৭ - ১৯৯৮ | অজিত কুমাৰ শৰ্মা | মুকুল কুমাৰ চহৰীয়া |
| ১৯৯৮ - ১৯৯৯ | জুৰি প্ৰিয়া দেৱী | তিলক ডেকা |
| ১৯৯৯-২০০০ | ভূপেন নাথ | প্ৰসন্ন কুমাৰ নাথ |
| ২০০০-২০০১ | মৃদুল শৰ্মা | মুকুল কুমাৰ চহৰীয়া |
| ২০০১-২০০২ | দিগন্ত শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |
| ২০০২-২০০৩ | প্ৰান্তিকা ভট্টাচাৰ্য্য | দেৱব্ৰত বৰদলৈ |
| ২০০৩-২০০৪ | সম্ফুল নাথ | ড° দিবাকৰ চন্দ্ৰ দাস |
| ২০০৪-২০০৫ | নৃপেন ডেকা | ড° তন্দ্ৰালী চৌধুৰী |
| ২০০৫-২০০৬ | হিমাংশু গৌতম | মহেন্দ্ৰ কটকী |
| ২০০৬-২০০৭ | | |
| ২০০৭-২০০৮ | ভায়লিনা ভাৰতী | মহেন্দ্ৰ কটকী, দুলেন্দ্ৰ নাথ |
| ২০০৮-২০০৯ | বিভাৰাণী গোস্বামী | ড° প্ৰসন্ন কুমাৰ নাথ |
| ২০০৯-২০১০ | ৰূপজ্যোতি চহৰীয়া | মুকুল কুমাৰ চহৰীয়া |
| ২০১০-২০১১ | হিৰকজ্যোতি ভট্টাচাৰ্য্য | মহেন্দ্ৰ কটকী |
| ২০১১-২০১২ | কুলদ্বীপ বৰুৱা | মুকুল কুমাৰ চহৰীয়া |
| ২০১২-২০১৩ | ৰাজীৱ লোচন কুমাৰ | মহেন্দ্ৰ কটকী |
| ২০১৩-২০১৪ | বৰ্ণালী নাথ | ড° ৰামচন্দ্ৰ ডেকা |

## ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰপৰিষদৰ সাধাৰণ সম্পাদক আৰু সভাপতিসকল (১৯৮২ - ২০১৩)

| চন | সাধাৰণ সম্পাদক | সভাপতিসকল |
|---|---|---|
| ১৯৭১ - ১৯৭২ | চুবিদ আলী | ভদ্ৰেশ্বৰ নাথ |
| ১৯৭২ - ১৯৭৩ | আব্দুল মতলিব | চন্দ্ৰপ্ৰভা ভূএগ |
| ১৯৭৩ - ১৯৭৪ | ঘনকান্ত শৰ্মা | চন্দ্ৰপ্ৰভা ভূএগ |
| ১৯৭৪ - ১৯৭৫ | লয়ন চন্দ্ৰ ডেকা | ভবানন্দ ৰাজখোৱা |
| ১৯৭৫ - ১৯৭৬ | কুঁহিৰাম কলিতা | ভবানন্দ ৰাজখোৱা |
| ১৯৭৬ - ১৯৭৭ | — | ভবানন্দ ৰাজখোৱা |
| ১৯৭৭ - ১৯৭৮ | — | ভবানন্দ ৰাজখোৱা |
| ১৯৭৮ - ১৯৭৯ | | ভবানন্দ ৰাজখোৱা |
| ১৯৭৯ - ১৯৮০ | মহেশ্বৰ চহৰীয়া | ভবানন্দ ৰাজখোৱা |
| ১৯৮০ - ১৯৮১ | টংকেশ্বৰ ডেকা | ভবানন্দ ৰাজখোৱা |
| ১৯৮১ - ১৯৮২ | টংকেশ্বৰ ডেকা | ভবানন্দ ৰাজখোৱা, ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮২ - ১৯৮৩ | দিবাকৰ চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮৩ - ১৯৮৪ | জিতেন কুমাৰ বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮৪ - ১৯৮৫ | দুলাল বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮৫ - ১৯৮৬ | ৰমণী ডেকা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮৬ - ১৯৮৭ | উত্তম কুমাৰ ডেকা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮৭ - ১৯৮৮ | হৰেন্দ্ৰ নাথ ডেকা | ৰেৱণ চন্দ্ৰ নাথ |
| | দিলীপ কুমাৰ ডেকা (ভাৰপ্ৰাপ্ত) | |
| ১৯৮৮ - ১৯৮৯ | কৈলাশ চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮৯ - ১৯৯০ | মইনুল হক চৌধুৰী | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯০ - ১৯৯১ | অনিল চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯১ - ১৯৯২ | জগদীশ বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯২ - ১৯৯৩ | হবিবৰ ৰহমান | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৩ - ১৯৯৪ | সুভাষ নাথ | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৪ - ১৯৯৫ | পৰেশ বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৫ - ১৯৯৬ | জয়ন্ত কুমাৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৬ - ১৯৯৭ | মহেন্দ্ৰ ডেকা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৭ - ১৯৯৮ | বিপুল ডেকা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৮ - ১৯৯৯ | বদৰুল জামান | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৯৯ - ২০০০ | মৃণাল কুমাৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ |
| ২০০০ - ২০০১ | বিনোদ চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ |
| ২০০১-২০০২ | দীপক কুমাৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ |
| ২০০২-২০০৩ | নিৰ্মল নাথ | ৰেৱণ চন্দ্ৰ নাথ, বিদ্যাৰাম নাথ |
| ২০০৩-২০০৪ | কৃষ্ণৰায় বৰুৱা | বিদ্যাৰাম নাথ |
| ২০০৪-২০০৫ | ৰতন চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ, ড° দেবেন্দ্ৰ নাথ শৰ্মা |
| ২০০৫-২০০৬ | বিপুল কুমাৰ শৰ্মা | ড° দেবেন্দ্ৰ নাথ শৰ্মা, কনক চন্দ্ৰ ডেকা |
| ২০০৬-২০০৭ | দুলাল ডেকা | কনক চন্দ্ৰ ডেকা |
| ২০০৭-২০০৮ | গুণমণি নাথ | কনক চন্দ্ৰ ডেকা |
| ২০০৮-২০০৯ | দীপক চন্দ্ৰ ডেকা | কনক চন্দ্ৰ ডেকা |
| ২০০৯-২০১০ | ধীৰাজ কাকতি | কনক চন্দ্ৰ ডেকা |
| ২০১০-২০১১ | হিমাংশু নাৰায়ণ কোঁৱৰ | কনক চন্দ্ৰ ডেকা |
| ২০১১-২০১২ | সমৰেন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা, ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১২-২০১৩ | প্ৰাঞ্জল বৰুৱা | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১৩-২০১৪ | ৰঞ্জুমণি বৰুৱা | ড° প্ৰদীপ চন্দ্ৰ ডেকা |

# আলোচনী সম্পাদনা সমিতি



ডঃ প্ৰদীপ চন্দ্ৰ ডেকা, অধ্যক্ষ
উপদেষ্টা



ডঃ তন্দ্ৰালী চৌধুৰী, উপাধ্যক্ষ
উপদেষ্টা



ডঃ ৰামচন্দ্ৰ ডেকা
তত্ত্বাৱধায়ক



ডঃ দেৱব্ৰত বৰদলৈ
শিক্ষক সদস্য



ডঃ দুলেন্দ্ৰ নাথ
শিক্ষক সদস্য



বৰ্ণালী নাথ
সম্পাদক



বৰ্ণালী কলিতা
সদস্য



ৰাজীৱ লোচন কুমাৰ
সদস্য



তৃষ্ণামণি ডেকা
সদস্য



ৰঞ্জুমণি বৰুৱা
পদেন সদস্য



আলোচনী সম্পাদনাৰ কামত ব্যস্ত এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰস্তুতিৰ এটি মুহূৰ্ত

# মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকল



প্ৰাঞ্জল বৰুৱা
উপ-সভাপতি



ৰঞ্জুমণি বৰুৱা
সাধাৰণ সম্পাদক



নজৰুল ইছলাম
সহঃ সাধাৰণ সম্পাদক




চিন্ময়জ্যোতি বৰুৱা
সম্পাদক
সাংস্কৃতিক বিভাগ



বৰ্ণালী নাথ
সম্পাদক, আলোচনী



নিকু কলিতা
সম্পাদক, তৰ্ক আৰু
অধ্যয়ন চক্ৰ বিভাগ



চাজিদুল হক
সম্পাদক
খেল বিভাগ



বৰ্ণালী কলিতা
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা



নৱজ্যোতি শৰ্মা
সম্পাদক
সমাজসেৱা বিভাগ



## মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি











# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি


















# মহাবিদ্যালয় গৌৰৱ



কল্পনা ডেকা
শ্ৰেষ্ঠ স্নাতক



বিনীতা চহৰীয়া
ৰাজ্যিক পৰ্যায়ৰ কৃতী খেলুৱৈ



জিন্টুমণি নাথ
শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা)



চিমি ডেকা
শ্ৰেষ্ঠ গায়িকা



ৰাজীৱ লোচন কুমাৰ
শ্ৰেষ্ঠ কুইজ প্ৰতিযোগী



নিকু কলিতা
শ্ৰেষ্ঠ কুইজ প্ৰতিযোগী



অধ্যাপিকা মাননীয়া শ্ৰীমিনতি গোস্বামীৰ বিদায় মুহূৰ্ত



অধ্যাপক মাননীয় শ্ৰীতীৰ্থ নাথ শৰ্মাৰ বিদায় মুহূৰ্ত


ছিপাঝাৰ মহাবিদ্যালয়
৪৪তম নবাগত সংখ্যা
WALL MAGAZINE
PHILOSOPHY
বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা
প্ৰাচীৰ পত্ৰিকা
CHIPRA




ইউ জি চি- ৰ অৰ্থ সাহায্যত বুৰঞ্জী বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠান



বিশ্ব পৰিৱেশ দিবসত বৃক্ষৰোপণ কাৰ্যসূচী




আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ অংশগ্ৰহণকাৰী শোভাযাত্ৰী দল



মহাবিদ্যালয়ৰ ৰ'ভাৰ্চ গোটৰ অনুশীলন




ৰক্তদান শিবিৰত মহাবিদ্যালয় ৰেড ৰিবন ক্লাবৰ সদস্যসকল



মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ এটি মুহূৰ্ত









